**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২ খন জিলা বানৰ কবলত।

২। অসম আৰক্ষীয়ে আটক কৰি ন' মেনছ লেণ্ডলৈ প্ৰেৰণ কৰা বাংলাদেশী নাগৰিকৰ ৬৫ জনক চুবুৰীয়া ৰাষ্ট্ৰখনৰ সুৰক্ষা বাহিনীৰ পুনৰ ৰাজ্যলৈ প্ৰেৰণ।

৩। পাকিস্তানৰ সৈতে জড়িত চোৰাংচোৰাগিৰিৰ গোচৰত অসমসহ আঠখন ৰাজ্যত ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ তালাচী।

৪। নৌসেনা বাহিনীকে ধৰি সশস্ত্ৰ বাহিনীত নিয়োগৰ অপাৰ সম্ভাৱনাৰ বিষয়ে আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাতত অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীৰ আলোকপাত। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ। ০০০০০

০০০০০০

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২ খন জিলাৰ ৩ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। গোৱালপাৰা, লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ বহু অঞ্চল প্লাৱিত হৈ পৰিছে। গুৱাহাটী মহানগৰীৰ বান পৰিস্থিতি কিছু শাম কাটিছে যদিও কেইবাটাও অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। কামৰূপ জিলাৰ বকোত মেঘালয়ৰ পানীয়ে বানৰ সৃষ্টি কৰিছে। মেঘালয়ৰ পৰা নামি অহা পানীয়ে শিঙৰা সংৰক্ষিত বনাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশ খহাই নিয়াৰ ফলত যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। প্ৰচুৰ বৃষ্টিপাতৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজৰ জীৱন আৰু সম্পত্তি সুৰক্ষাৰ গোৱালপাৰা জিলা প্ৰশাসন ২৪ ঘণ্টাই সষ্টম হৈ আছে। নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

অন্যান্য জিলাসমূহৰ লগতে লখিমপুৰৰ কেইবাটাও প্ৰান্তত বানৰ প্ৰকোপ পৰিলক্ষিত হৈছে। নীপকোৱে ৰঙানদীৰ পানী এৰি দিয়াৰ ফলত লখিমপুৰৰ বিস্তীৰ্ণ অঞ্চল বাঢ়নী পানীয়ে বুৰাইছে। বাঢ়নী পানীৰ ফলত চাৰি ঠাইত ৰঙানদীৰ মথাউৰি ছিগিছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। বানৰ ফলত ভালেসংখ্যক লোকৰ বাসগৃহৰ ক্ষতি হৈছে আৰু পথ যোগাযোগো ব্যাহত হৈছে। নাওবৈচাৰ পেৰাভাৰী, বান্তো, ডিজু পথাৰ আদিকে ধৰি ৩০ খন গাঁও জলমগ্ন হৈ পৰিছে। ডিক্ৰং নদীৰ বাঢ়নী পানীত পাৰ্শ্বৱৰ্তী এলেকাসমূহ জলমগ্ন হৈ পৰিছে।

বছৰটোৰ প্ৰথমটো বানত নগাঁৱৰ কামপুৰ ৰাজহ চক্ৰৰ কেইবাখনো গাঁও জলমগ্ন হৈছে। কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পই পানী এৰি দিয়াৰ ফলত বৰপানী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। কচুৱা, মাধৱপাৰা, শিমলুগুৰি, ৰমনীপথাৰকে ধৰি ২৭ খন গাঁও বৰপানী নৈৰ বাঢ়নী পানীত বুৰ গৈছে।

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ খানডং জলবিদ্যুৎ প্ৰকল্পৰ ৭ খন গে'ট খুলি দিয়াত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। ইয়াৰ ফলত হোজাইৰ কেইবাখনো গাঁও বানৰ কবলত পৰিছে। হোজাই জিলা আয়ুক্তগৰাকীয়ে কালি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে আশ্ৰয় শিবিৰ স্থাপন কৰা সন্দৰ্ভত পৰ্যালোচনা কৰে।

ইপিনে কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত **তিনিচুকীয়া** জিলাৰ গুইজানৰ নতুন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল প্লাবিত হৈছে। **ডিব্ৰুগড়** জিলাত ব্ৰহ্মপুত্ৰৰ পানী অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। ব্ৰহ্মপুত্ৰ বাঢ়নী পানীয়ে চানমাৰিৰ নতুন গাঁও বুৰাই পেলাইছে। চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত পুখুৰীজানত ব্ৰহ্মপুত্ৰৰ পানী মথাউৰি ওপৰেৰে বাগৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। **মাজুলীৰ** বিৰিণাবাৰী গাঁৱৰ ঠেকেলানী বিলৰ পাৰৰ কেইবা বিঘা বৰো ধানৰ খেতি বানে বুৰাই পেলাইছে। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত খেতি পথাৰ জলমগ্ন হৈ পৰিছে।

**গোলাঘাট** জিলাৰ নুমলীগড়ত কালিয়নী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। কালিয়নী নৈৰ বাঢ়নী পানীত আবদ্ধ হৈ পৰা তিনিখন বাহনৰ চালক আৰু হেণ্ডিমেনক প্ৰশাসনৰ লোকে স্পীড বটৰ সহায়ত উদ্ধাৰ কৰে।

০০০০০০

অসম আৰক্ষীয়ে এই সপ্তাহতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অভিযান চলাই আটক কৰা অবৈধ বাংলাদেশী নাগৰিকসকলক সীমান্ত সুৰক্ষা বাহিনীৰ সহযোগত বাংলাদেশ সীমান্তৰ ন' মেনচ লেণ্ডলৈ প্ৰেৰণ কৰা বাংলাদেশৰ সুৰক্ষা বাহিনীয়ে ইয়াৰে ৬৫ জন লোকক পুনৰ ঘূৰাই পঠিয়াইছে। ইয়াৰে ৬৪ গৰাকী সন্দেহজনক নাগৰিকক গোৱালপাৰা ডিটেনচন কেম্পত ৰখা হৈছে। ইপিনে মৰিগাঁৱৰ খাইৰুল ইছলাম নামৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষকগৰাকীক নিজ গৃহলৈ যোৱাৰ অনুমতি দিয়া হয়। জিলাখনৰ মিকিৰভেটা থানাৰ খান্দা পুখুৰী গাঁৱৰ বাসিন্দা শিক্ষকগৰাকীৰ পিতৃৰ নাম ১৯৬৫ চনৰ ভোটাৰ তালিকাত সন্নিৱিষ্ট হৈ আছে। জিলাখনৰ তিনি নম্বৰ বিদেশী ন্যায়াধীকৰণে পাঁচ বছৰ পূৰ্বে বিদেশী নাগৰিক ঘোষণা কৰাৰ পাছত ইছলামে প্ৰথমে গুৱাহাটী উচ্চ ন্যায়ালয়ত আৰু পাছলৈ উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল। সৰ্বোচ্চ ন্যায়ালয়ত গোচৰৰ কোনো ৰায় প্ৰদান হোৱাৰ পূৰ্বে তেওঁক বিদেশী বুলি আটক কৰি গোৱালপাৰা ডিটেনচন কেম্পলৈ প্ৰেৰণ কৰা হৈছিল। শুকুৰবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল যোগে কয়, যে বিদেশী ন্যায়াধীকৰণে বিদেশী হিচাপে ঘোষণা কৰা আৰু সেই ৰায়ক লৈ আপীল নকৰা বাংলাদেশীসকলকহে ঘূৰাই পঠিওৱাৰ নিৰ্দেশ দিয়া হৈছে। উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ত গোচৰ চলি থকা ব্যক্তিক হাৰাশাস্তি নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে ৬৫ গৰাকী ঘূৰাই পঠিওৱা বাংলাদেশী লোকক পুনৰ ভাৰত তথা অসম চৰকাৰে ঘূৰাই লৈছে।

০০০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থাই পাকিস্তানৰ সৈতে জড়িত চোৰাংচোৱাগিৰিৰ এটা গোচৰত কালি দেশৰ আঠখন ৰাজ্যৰ ১৫টা স্থানত তালাচী চলায়। সংস্থাটোৱে এটা বিবৃতি যোগে অসম, পশ্চিমবংগ, দিল্লী, মুম্বাই, হাৰিয়ানা,

উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু চত্তিশগড়ত তালাচী চলোৱা বুলি প্ৰকাশ কৰিছে। তালাচীৰ সময়ত ভালেসংখ্যক বৈদ্যুতিন সঁজুলি, স্পৰ্যকাতৰ বিত্তীয় নথি আৰু আন আপত্তিজনক সামগ্ৰি জব্দ কৰিছে। ৰাষ্টীয় তদন্ত সংস্থাৰ তদন্ত অনুসৰি এই সন্দেহজনক লোক কেইজনৰ পাকিস্তানী অভিসন্ধিকাৰীৰ সৈতে যোগাযোগ আছিল আৰু ধনৰ বিনিময়ত ভাৰতত চোৰাংচোৰাগিৰি চলাইছিল। তদন্তকাৰী সংস্থাটোৱে ২০২৩ চনৰে পৰা ৰাষ্ট্ৰীয় সংৰক্ষাৰ সৈতে জড়িত গোপনীয় তথ্য যোগান ধৰা আৰু তাৰ বিভিন্ন মাধ্যমেৰে ধন লাভ কৰা এজন লোকক গ্ৰেপ্তাৰ কৰাৰ পাছত এই গোচৰটো ৰুজু কৰিছিল।

০০০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনিওটা শাখাতে কৰ্ম সংস্থাপনৰ সুবিধা গ্ৰহণৰ বাবে অসমৰ নতুন প্ৰজন্মৰ মাজত আগ্ৰহ আৰু সজাগতা সৃষ্টিৰ প্ৰয়োজন আছে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে কালি এই কথা প্ৰকাশ কৰে। শ্ৰীচৌধুৰীয়ে কয়, যে নৌ সেনা বাহিনীত নিয়োগৰ ক্ষেত্ৰত অপৰিসীম সা-সুবিধা আছে যদিও অসমত ইয়াৰ নিযুক্তি কেন্দ্ৰ নথকা হেতুকে আৰু এই সম্পৰ্কত আগ্ৰহ আৰু সচেতনতাৰ অভাৱ হোৱা বাবে একেবাৰে কম সংখ্যক লোকহে বাহিনীটোত নিযুক্ত হয়। নৌ বাহিনীত ১২টা ক্ষেত্ৰৰে সংযুক্ত হব পাৰি আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ উপৰি কৰ্মচাৰী শ্বয়ন আয়োগ, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, অভিযান্ত্ৰিক পাঠ্যক্ৰম, চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম আদিৰ পৰাও বাহিনীটোৰ উচ্চ পদত অধিস্থিত হোৱাৰ বাবে চেষ্টা চলাব পাৰি বুলি তেওঁ কয়। শ্ৰীগোস্বামীয়ে অনুষ্ঠানটোত কয় যে বিত্তীয় অসুবিধা, আগ্ৰহৰ অভাৱ, আৰু জীৱনত প্ৰত্যাহ্বান গ্ৰহণৰ মানসিকতা কম হোৱাৰ লগতে সহজে সফলতা লাভ কৰাৰ প্ৰতি ইচ্ছুক হোৱাৰ বাবে ৰাজ্যখনৰ নতুন প্ৰজন্মৰ অধিকাংশই সুৰক্ষা বাহিনীৰ চাকৰীৰ প্ৰতি আগ্ৰহী নহয়।

**বাইট ---**

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল কাইলৈ পাঁচদিনীয়া ন'ৰ'ৱে আৰু ডেনমাৰ্ক ভ্ৰমণসূচীৰে ৰাওনা হ'ব। ন'ৰ'ৱেত শ্ৰী সোণোৱালে অছলোত নৰ ছিপিং বাণিজ্য মেলা আৰু সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত মহাসাগৰ সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ বৈঠকত ভাষণ দিব আৰু প্ৰথমটো ভাৰতীয় মণ্ডপ মুকলি কৰিব। তেওঁ লগতে সন্মিলনত ভাগ লোৱাৰ সুযোগতে জাপান আৰু ন'ৰ'ৱেৰ জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব আৰু ইউৰোপৰ আগশাৰীৰ নৌ পৰিবহণ কোম্পানী, প্ৰযুক্তি বিকাশক আৰু যন্ত্ৰাংশ নিৰ্মাতাৰ সৈতে মত বিনিময় কৰিব। ডেনমাৰ্কত মন্ত্ৰীগৰাকীয়ে কোপেনহেগেন ব্যৱসায় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে ভাৰতৰ উন্নত বিকাশ যাত্ৰা আৰু অৰ্থনৈতিক সুযোগ সম্পৰ্কে আলোচনা কৰিব। তেওঁ লগতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত প্ৰাণ হেৰুওৱা ভাৰতীয় নাবিকসকললৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰাৰ উদ্দেশ্যে মিন্নেহেলন দ্যা হল অৱ ৰিমেম্বেৰেঞ্চ স্মাৰক পৰিদৰ্শন কৰিব। মন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াৰ লগতে ব্যক্তিগত খণ্ডৰ আগশাৰীৰ কোম্পানীৰ এটা প্ৰতিনিধি দলো যাব।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ এটা দলে ড০ কংকন শৰ্মাৰ নেতৃত্বত মেঘালয়ৰ চূণশিলৰ গুহাৰ গভীৰতাত এবিধ নতুন প্ৰজাতিৰ মাছ চিনাক্ত কৰিছে। লেডী কিন কলেজ, শ্বিলং আৰু আই চি এ আৰ

নেচনেল ব্যুৰ' অৰ ফিছ্ জেনেটিক ৰিছাৰ্ছ লক্ষ্ণৌৰ সহযোগিতাত আৱিষ্কাৰ কৰা মাছৰ প্ৰজাতিবিধক **শ্বিষ্টুৰা ডেনচিক্লাভা** নামেৰে নামকৰণ কৰিছে। মেঘালয়ৰ অতি অন্ধকাৰ গুহাৰ মাটিৰ তলত শ শ মিটাৰ গভীৰতাত পোৱা এই মাছবিধে অতি দুৰ্গম পৰিস্থিতিত জীয়াই থাকিব পাৰে। এই গৱেষণা আৰু আৱিষ্কাৰে গুহাৰ পৰিৱেশত মাছৰ জীৱন প্ৰণালী বিষয়ে বিশদ অধ্যয়নৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে। নিজৰাৰ পৰা গুহাত প্ৰৱেশ কৰা এই মাছে কি অভিযোজনাৰ মাজেৰে জীয়াই থাকে সেয়াও গৱেষণা কৰাৰ যথেষ্ট থল আছে বুলি প্ৰাণীবিজ্ঞানৰ গৱেষকসকলে মত প্ৰকাশ কৰিছে।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈ সভাপতিৰ দায়িত্ব লাভ কৰাৰ পাছত কালি প্ৰথমবাৰৰ বাবে গৃহ জিলা যোৰহাটত উপস্থিত হয়। জিলাখনত কংগ্ৰেছ দলৰ ভালেসংখ্যক নেতা-কৰ্মীয়ে তেওঁক আদৰণি জনায়। ৰৌৰিয়া বিমান বন্দৰৰ পৰা নেতাগৰাকী যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ দলীয় কৰ্মীসকলক উদ্দেশ্যি ভাষণ দিয়ে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো মঙলবাৰে একেখন ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। মুম্বাই ইণ্ডিয়ানছে বৰ্তমানলৈকে পাঁচবাৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। ইয়াৰ বিপৰীতে পাঞ্জাবে প্ৰতিযোগিতাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জনৰ চেষ্টা চলাব।

০০০০০০

প্ৰবল বৰষুণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ ১২ খন জিলাত হোৱা  বান আৰু ভূমিস্খলনৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে ৰাজ্যত বানৰ তাণ্ডৱ- শিশুসহ নিহত ৪ জন শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কামৰূপ জিলাৰ শুৱালকুছিত ৰাষ্ট্ৰীয় তদন্ত সংস্থাই অভিযান চলাই তিনিজনক আটক কৰাৰ বাতৰিটো দৈনিক অসম কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে যোৰহাটত কালি সাংসদ গৌৰৱ গগৈ উপস্থিত হোৱাৰ বাতৰিতো **সমৰ্থকৰ ভিৰত যোৰহাটত গৌৰৱ, তিতাবৰলৈ যাত্ৰা** শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে ৰঙানদীৰ জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানী নীপকোৱে এৰি দিয়াৰ ফলত লখিমপুৰত হোৱা প্ৰলয়ংকৰ বানৰ বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে স্থান দিছে।

অসমীয়া খবৰ কাকতখনে ভাৰতে ঘূৰাই পঠিওৱা ৬৫ জন সন্দেহযুক্ত বাংলাদেশী নাগৰিকক পুনৰ বাংলা সুৰক্ষা বাহিনীয়ে ঘূৰাই পঠিওৱা বাতৰিটো আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মাৰ্কিন সংবাদ সংস্থা এটাৰ সৈতে হোৱা সাক্ষাৎকাৰত দেশৰ প্ৰতিৰক্ষা বাহিনীসমূহৰ মুৰব্বী জেনেৰেল অনিল চৌহানে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানৰ আক্ৰমণত ভাৰতৰ কেইখনমান যুদ্ধ বিমান ধ্বংস হোৱা বুলি কোৱা বাতৰিটো দৈনিক অগ্ৰদূত কাকতখনে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে গুৱাহাটীত ভূমিস্খলনত ৫ জন লোক নিহত হোৱাৰ বাতৰিটো Landslides claim five lives in Guwahati শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কৃত্ৰিম বানৰ বাবে গুৱাহাটীত দ্বিতীয় দিনৰ বাবেও সাধাৰণ নাগৰিকৰ জীৱন-যাত্ৰা ব্যাহত হোৱাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতখনে Residents' woes continue on  day 2 of city deluge শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাও।

০০০০০০

বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত **বৰষুণৰ এটা দিন** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত পৰহি গুৱাহাটী মহানগৰীত হোৱা অভূতপূৰ্ব  নগৰীয়া বানৰ সময়ত সৃষ্টি হোৱা অচলাৱস্থা আৰু এই সময়ত মানৱীয় প্ৰমূল্য সম্পৰ্কত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, আৰক্ষী কৰ্মচাৰী আৰু সাংবাদিকৰ মতামত শুনিবলৈ পাব। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনীৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত